ভগ্ন

কণটি মধুৰিআম খাবলৈ বৰীত থকা গছ জোপাত উঠিল। সি দেখিলে যে গছডালত এ
মাত্ৰ মধুৰিআম লাগি আছে। মধুৰিআমটো সি পাৰি আনিলে। ভণ্টি আছিল তলতে বৈ। মাকেও
সময়তে ঘৰৰ বাহিৰলৈ ওলাই কণটিক মধুৰিআমটো ছিঙা দেখিলে। মাকে ক'লে 'ভণ্টিকো স
আধা দিবা।'

মাকৰ কথা মতে কণটিয়ে মধুৰিআমটো সমানে দুভাগ কৰি এটা ভাগ ভণ্টিক দিলে। আনটো
সি নিজে খালে।

তলৰ ছবিৰ পৰা শিকোঁ আহা

বস্তু এটা সমানে দুভাগ কৰিলে প্ৰতিটো ভাগ বা অংশক আধা ($\frac{১}{২}$) বুলি কোৱা হয়।

শিক্ষকলৈ নিৰ্দেশনা : ছাত্ৰ-ছাত্ৰীক দলত ভগাই বিভিন্ন বস্তুক সমানে দুভাগ কৰিবলৈ দিব। কোনো বস্তুক সমানে দুভাগ কৰিলে প্ৰতি ভাগক আধা বা দুই ভাগৰ এভাগ বুলি কোৱা হয় আৰু ইয়াক যে $\frac{১}{২}$ বুলি লিখা হয় তেওঁলোকক বুজাই দিব।

তলৰ ছবিবোৰ মন কৰা



প্ৰতিখন ছবিত দুভাগৰ এভাগত ($\frac{১}{২}$) ৰং কৰা আছে আৰু দুভাগৰ এভাগত ($\frac{১}{২}$) ৰং কৰা নাই।

তলৰ ছবিবোৰৰ ($\frac{১}{২}$) অংশত ৰং কৰা



তলৰ বস্তুবোৰ সমানে দুভাগ কৰি এভাগত ঘেৰ দিয়া



এনেদৰে বস্তুৰ থুপ এটাক সমানে দুভাগ কৰিলে প্ৰতিটো ভাগক আধা ভাগ বুলি কোৱা হয়।

কৰি চাওঁ আহা



এখিলা কাগজ লোৱা

কাগজ খিলাৰ সোঁমাজত এটা ভাঁজ দি সমানে দুভাগ কৰা

কাগজ খিলাৰ ভাঁজত এডাল আঁচ টানা

জানি লওঁ আহা

বস্তু বা থুপ এটাক সমানে দুভাগ কৰিলে প্ৰতিটো ভাগক বস্তু বা থুপটোৰ আধা বা দুই ভাগৰ এভাগ ($\frac{১}{২}$) বোলা হয়।

তলৰ সমানে আধা অংশ ৰং কৰা ছবিবোৰত (✓) চিন দিয়া



ভাগ কৰোঁ আহা

মৰিয়মে পাউৰুটী এটা সমানে তিনিভাগ কৰি কাটিলে।

প্ৰতিটো ভাগ তিনিটা সমান ভাগৰ এটা ভাগ।

অৰ্থাৎ প্ৰতিটো ভাগ তিনি ভাগৰ এভাগ বা $\frac{১}{৩}$

তলৰ ছবিবোৰৰ তিনি ভাগৰ এভাগ ($\frac{১}{৩}$) ত ৰং কৰা



তলৰ বস্তুবোৰ তিনি ভাগৰ এটা ভাগত ঘেৰ দিয়া



কৰি চাওঁ আহা



এখিলা কাগজ লোৱা

কাগজ খিলাত দু টা ভাঁজ দি তিনিটা সমান ভাগত ভাগ কৰা

কাগজ খিলা খুলি ভাঁজ কেইটাত আঁচ টনা

জানি লওঁ আহা

বস্তু এটাক বা বস্তুৰ থূপ এটাক সমানে তিনি ভাগ কৰিলে প্ৰতিটো ভাগ তিনিভাগৰ এভাগ ($\frac{১}{৩}$) হয়।

ভাগ কৰোঁ আহা

মুস্তাকৰ জন্মদিনত মাকে এটা কেক কাটি সমানে চাৰি ভাগ কৰিলে। মাকে মুস্তাক আৰু তাৰ তিনিজন বন্ধু-বান্ধৱীক ইয়াৰ এটাকৈ ভাগ খাবলৈ দিলে। প্ৰত্যেকে চাৰি ভাগৰ এভাগকৈ পালে।



তলৰ চাৰি ভাগৰ এভাগ ($\frac{১}{৪}$) বস্তুবোৰ চাওঁ আহা





তলৰ ছবিবিলাকৰ চাৰিভাগৰ এভাগ ($\frac{১}{৪}$) ত ৰং দিয়া



তলৰ প্ৰতিটো বাকচত থকা বস্তুৰ চাৰি ভাগৰ এভাগ ($\frac{১}{৪}$)ত ঘেৰ দিয়া



কৰি চাওঁ আহা

এখিলা কাগজ লোৱা	কাগজ খিলাৰ সোঁমাজত এটা ভাজ দি সমান ভাগত ভাগ কৰা	ভাঁজ দিয়া কাগজ খিলাত আকৌ এটা ভাঁজ দি দুটা সমান ভাগত ভাগ কৰা	এতিয়া, কাগজ খুলি ভাঁজ কেই আঁচ টনা

বস্তু এটাক বা বস্তুৰ থুপ এটাক সমানে চাৰি ভাগ কৰিলে প্ৰতিটো ভাগ চাৰিভাগৰ এভাগ ($\frac{১}{৪}$)

জানি লওঁ আহা

এটা বস্তুক সমনে দুভাগ কৰিলে প্ৰতি ভাগক আধা বা ২ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াক $\frac{১}{২}$ বে লিখা হয়।

এটা বস্তুক সমানে তিনি ভাগ কৰিলে প্ৰতি ভাগক ৩ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াত $\frac{১}{৩}$ বে লিখা হয়।

এটা বস্তুক সমানে চাৰিভাগ কৰিলে প্ৰতি ভাগক ৪ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াক $\frac{১}{৪}$ বে লিখা হয়।



এটা বস্তুক সমানে পাঁচভাগ কৰিলে প্ৰতি ভাগক ৫ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াক $\frac{১}{৫}$ বে লিখা হয়।

কৰি চাওঁ আহা

বৃত্তাকৃতিৰ কাগজ এডোখৰ কাটি লোৱা।

চিত্ৰত দিয়াৰ দৰে এটা ভাঁজ কৰা।



আৰু এটা ভাঁজ দিয়া।



কাগজ ডোখৰ খুলি দিয়া। ভাঁজে ভাঁজে আঁচ টানা। চাৰিটা সমান ভাগ পালানে? এতিয়া তাৰে তিনি ভাগ ৰং কৰা। ৰং কৰা অংশই হ'ল $\frac{৩}{৪}$ ।

তলৰ ছবিবোৰত $\frac{৩}{৪}$ অংশত ৰং কৰা।









ভগ্নাংশ মতে ৰং কৰোঁ আহা



$\frac{৩}{৫}$

$\frac{১}{৪}$



$\frac{২}{৪}$



$\frac{৩}{৪}$

$\frac{২}{৩}$



$\frac{৩}{৪}$



$\frac{৩}{৪}$

কৰি চোৱা



- বৰ্গাকৃতিৰ কাগজ এডোখৰ লোৱা।
  দুটা সমান ভাগত কাগজখিলা ভাঁজ কৰা। কাগজখন মেলি দিয়া। বাঁওফালৰ ভাগটোত ৰং দিয়া। কাগজখিলাৰ কিমান অংশত ৰং দিলা? ______



- চিত্ৰত দেখুওৱাৰ দৰে কাগজখিলাত পুনৰ এটা ভাঁজ দি সমানে চাৰি ভাগ কৰা
  কাগজখিলা মেলি দিয়া। দুটা ভাগত × চিন দিয়া।
  কাগজখিলাৰ কিমান অংশত × চিন দিলা? ______

কি পালা,

$\frac{১}{২}$ আৰু $\frac{২}{৪}$ একে খিনি অংশকে বুজোৱা নাই নে?

অৰ্থাৎ $\frac{১}{২} = \frac{২}{৪}$

- এইবাৰ কাগজখিলাক পুনৰ এটা ভাঁজ দি ৮টা সমান ভাগত ভাগ কৰা। কাগজখিলা মেলি দিয়া। এতিয়া চাৰিটা ভাগত . চিন দিয়া। কাগজখিলাৰ কিমান অংশত . চিন দিলা? ______



কি পালা

$\frac{১}{২}$ $\frac{২}{৪}$ আৰু $\frac{৪}{৮}$ একেখিনি অংশকে বুজোৱা নাইনে?

অৰ্থাৎ $\frac{১}{২} = \frac{২}{৪} = \frac{৪}{৮}$

গতিকে $\frac{১}{২}$, $\frac{২}{৪}$, $\frac{৪}{৮}$ এই ভগ্নাংশবোৰেই হৈছে সমতুল্য ভগ্নাংশ।

শিকোঁ আহা

$\frac{১}{২}$ ৰ সমতুল্য ভগ্নাংশ



$\frac{১}{২}$



$\frac{২}{৪}$



$\frac{৪}{৮}$

১ৰ সমতুল্য ভগ্নাংশ



$\frac{২}{২} = ১$



$\frac{৪}{৪} = ১$



$\frac{৯}{৯} = ১$

গতিকে, $\frac{২}{২}$, $\frac{৪}{৪}$, $\frac{৯}{৯}$ আদি ভগ্নাংশবোৰ ১ৰ সমতুল্য ভগ্নাংশ

তলৰ কেইভাগ ৰং কৰা আছে ভগ্নাংশত লিখা

















ছবিবোৰৰ ৰং দিয়া অংশৰ লগত ভগ্নাংশবোৰ মিলোৱা



লত দিয়া ভগ্নাংশবোৰ লিখা

াৰি ভাগৰ এক =	$\frac{১}{৪}$	তিনি ভাগৰ দুই =	
াৰি ভাগৰ তিনি =		পাঁচ ভাগৰ তিনি =	
াঁচ ভাগৰ এক =		দুই ভাগৰ এক =	

গ্নাংশবোৰ আখৰেৰে লিখা

$\frac{৩}{৪}$ = চাৰি ভাগৰ তিনি .... $\frac{১}{৩}$ = ...

$\frac{২}{৫}$ = ... $\frac{১}{২}$ = ...

তলৰ ছবিবোৰত দিয়া সমতুল্য ভগ্নাংশ মতে ৰং কৰা




$\frac{২}{৪}$ = $\frac{১}{২}$ $\frac{৩}{৪}$ = $\frac{৬}{৮}$




$\frac{১}{৩}$ = $\frac{২}{৬}$ $\frac{১}{৪}$ = $\frac{২}{৮}$




$\frac{২}{৬}$ = $\frac{১}{৩}$ $\frac{৩}{৪}$ = $\frac{৬}{৮}$




$\frac{৪}{৫}$ = $\frac{৮}{১০}$ $\frac{২}{৩}$ = $\frac{৪}{৬}$

ত্ৰৰ কিমান ভাগত কি ফুল আছে চাওঁ আহা



ফুলি আছে $\frac{৩}{৮}$ অংশত

ল ফুলি আছে .... অংশত

নয়নতৰা ফুল ফুলি আছে .... অংশত

নাৰ্জি ফুল ফুলি আছে .... অংশত